25-04-2026 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল – পিতা দূৰণিৰ দেশৰ পৰা তোমালোক সন্তানসকলৰ কাৰণে নতুন ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ আহিছে, তোমালাক এতিয়া স্বৰ্গৰ লায়ক হৈ আছা"**

প্ৰশ্ন: যিসকল সন্তানৰ শিৱবাবাৰ প্ৰতি অটুট নিশ্চয়তা আছে তেওঁলোকৰ লক্ষণ কি হ'ব?

উত্তৰ: তেওঁলোকে যি আজ্ঞা পাব, চকু মুদি বাবাৰ শ্ৰীমতত চলি থাকিব। কেতিয়াও খেয়ালো নচলিব যে ইয়াৰ দ্বাৰা কিবা লোকচান হৈ যাব কিয়নো এনেকুৱা নিশ্চয়বুদ্ধিৰ সন্তানসকলৰ বাবে পিতা দায়বদ্ধ। তেওঁলোকে নিশ্চয়তাৰ বল পাই যায়। তেওঁলোকৰ অৱস্থা অচল-অটল হৈ যায়।

গীত: তুম্হী হো মাতা, তুম্হী পিতা হো… (তুমিয়েই মাতা, পিতা তুমিয়েই...)

ওঁম্ শান্তি। এয়া কাৰ মহিমা শুনিলা? যাক তোমালোকৰ বাহিৰে জগতত আন কোনেও নাজানে। এয়া হ'ল উচ্চতকৈও উচ্চ পিতাৰ মহিমা। বাকী যিমানে মহিমা কৰে সেয়া অৰ্থহীন হৈ যায়। উচ্চতকৈও উচ্চ এজনেই পিতা। কিন্তু পিতাৰ পৰিচয় কোনে দিব। নিজে আহি আত্মাৰ আৰু নিজৰ পৰিচয় দিয়ে। কোনো মনুষ্যৰ আত্মাৰো পৰিচয় নাই। যদিও কয় – মহান আত্মা, জীৱ আত্মা। শৰীৰ যেতিয়া ত্যাগ কৰে তেতিয়া কয় – আত্মা ওলাই যায়। শৰীৰ মৃত হৈ যায়। আত্মা অবিনাশী। আত্মাৰ কেতিয়াও নাশ নহয়। আত্মা যি তৰা সদৃশ, সেই আত্মা অতি সূক্ষ্ম। এই দুচকুৰে দেখিবলৈ পোৱা নাযায়। সকলো কৰ্তব্য আত্মাই কৰে। কিন্তু বাৰে বাৰে দেহৰ অভিমানত আহি যায় তেতিয়া কয়, মই অমুক হওঁ, মই এয়া কৰোঁ। প্ৰকৃততে সকলো আত্মাই কৰে। শৰীৰতো হৈছে কৰ্মেন্দ্ৰিয়। এয়া সাধু আদিয়েও জানে যে আত্মা অতি সূক্ষ্ম, যি ভ্ৰুকুটিৰ মাজত থাকে। কিন্তু তেওঁলোকৰ এইটো জ্ঞান নাই যে আত্মাত এই ভূমিকা পালন কৰাৰ সংস্কাৰ আছে। কোনোৱে কয় – আত্মাত সংস্কাৰ নাথাকে, আত্মা নিৰ্লেপ। কোনোৱে কয় – সংস্কাৰ অনুসৰি জন্ম লাভ কৰে। মতভেদ বহুত আছে। এইটোও কোনেও নাজানে যে কোনসকল আত্মাই 84 জন্ম লয়। তোমালোকে জানা যে সূৰ্যবংশীসকলেহে 84 জন্মৰ চক্ৰ পৰিক্ৰমা লগাবলগীয়া হয়। আত্মাইহে 84 জন্মৰ চক্ৰ পৰিক্ৰমা লগাই পতিত হয়। এতিয়া আত্মাক পাৱন কোনে কৰিব? পতিত-পাৱন উচ্চতকৈও উচ্চ এজনেই পিতা, তেওঁৰ মহিমা সকলোতকৈ উচ্চ। 84 জন্ম সকলোৱেতো নলয়। পাছত অহাসকলেতো 84 জন্ম ল'ব নোৱাৰে। সকলো একেলগেতো নাহে। যিসকল প্ৰথমতে সত্যযুগত আহিব, সূৰ্যবংশী ৰজা আৰু প্ৰজা, তেওঁলোকৰ 84 জন্ম হয়। পাছলৈতো মনুষ্যৰ বহুত বৃদ্ধি হয় নহয়। তেতিয়া কাৰোবাৰ 83 কাৰোবাৰ 80 জন্ম হয়। তাত সত্যযুগততো সম্পূৰ্ণ 150 বছৰ আয়ুস থাকে। কোনো সোনকালে মৰিব নোৱাৰে। এই কথাবোৰ পিতাইহে বহি বুজায়। এতিয়া কোনেও পৰমপিতা পৰমাত্মাক নাজানে। পিতাই কয় যে যেনেকৈ তোমালোক আত্মা, তেনেকৈময়ো আত্মা। তোমালোক কেৱল জন্ম-মৃত্যুত আহা, মই নাহোঁ। মোক আহ্বানো জনায় তেতিয়া যেতিয়া পতিত হৈ যায়। যেতিয়া বহুত দুখী হৈ যায় তেতিয়া মোক আহ্বান জনায়। এই সময়ত তোমালোক সন্তানসকলক শিৱবাবাই পঢ়াই আছে।

কিছুমানে সোধে যে এইটো কেনেকৈ মানো যে পৰমাত্মা আছে! গতিকে তেওঁলোকক বুজাব লাগে যে সকলোৱে আহ্বান জনায় – হে পতিত-পাৱন আহক। এতিয়া তেওঁ হ'ল নিৰাকাৰ। তেওঁৰ নিজৰ শৰীৰ নাই, আহিবও লাগে পতিত সৃষ্টিত। পাৱন সৃষ্টিততো নাহিব। এনেকৈ বুজোৱা উচিত। এইটোও বুজাব লাগে যে পৰমাত্মা অতি সূক্ষ্ম যেনেকৈ আত্মা সূক্ষ্ম, কিন্তু তেওঁ হ'ল মনুষ্য সৃষ্টিৰ বীজৰূপ, জ্ঞানপূৰ্ণ। পিতাই কয় যে তোমালোকে মোক পৰমপিতা পৰমাত্মা বুলি কোৱা। মিনতি কৰা সেয়েহে নিশ্চয় আহিম নহয়। গায়নো আছে যে দূৰৈৰ দেশৰ নিবাসী পৰৰ দেশলৈ আহিল। এতিয়া পিতাৰ দ্বাৰা গম পাইছা যে এতিয়া আমি পৰৰ দেশত অৰ্থাৎ ৰাৱণৰ দেশত আছোঁ। সত্যযুগ ত্ৰেতাত আমি ঈশ্বৰীয় দেশ অৰ্থাৎ নিজৰ দেশত আছিলোঁ তাৰপাছত দ্বাপৰৰ পৰা আমি পৰৰ দেশ, পৰৰ ৰাজ্যত আহি যাওঁ। বাম (বিকাৰী) মাৰ্গত আহি যাওঁ। আকৌ ভক্তি আৰম্ভ হৈ যায়। প্ৰথমতে শিৱবাবাৰ ভক্তি কৰিবলৈ লাগি যায়, তেওঁলোকে শিৱবাবাৰ ইমান ডাঙৰ লিংগ সাজে, কিন্তু তেওঁ ইমান ডাঙৰতো নহয়। এতিয়া তোমালোকে বুজিছা যে আত্মা আৰু পৰমাত্মাৰ মাজত পাৰ্থক্য কি। তেওঁ জ্ঞানপূৰ্ণ, সৰ্বদা পাৱন, সুখৰ সাগৰ, আনন্দৰ সাগৰ। এয়া পৰমাত্মাৰ মহিমা নহয় জানো। এতিয়া আহ্বান জনায় যে পতিত-পাৱন আহক। তেওঁ হ'ল পৰমপিতা যিজন কল্পই কল্পই আহে। দূৰৈৰ দেশৰ নিবাসী পথিকক মাতে, তেওঁৰ মহিমা গায়। ব্ৰহ্মা, সৰস্বতীকতো আহ্বান নজনায়। নিৰাকাৰ পৰমাত্মাক আহ্বান জনায়। আত্মাই আহ্বান জনায় যে দূৰৈৰ দেশৰ নিবাসী এতিয়া আনৰ দেশলৈ আহক কিয়নো সকলো পতিত হৈ গৈছে। ময়ো তেতিয়া আহিম যেতিয়া

ৰাৱণৰাজ্য সমাপ্ত হোৱাৰ সময় হ'ব। মই আহোঁও সংগমযুগত। এইটো কোনেও গম নাপায়। এনেকৈ কয়ো যে তেওঁ পৰমাত্মা, বিন্দু। আজিকালি আকৌ কয় আত্মাই পৰমাত্মা, পৰমাত্মাই আত্মা। আত্মাই পৰমাত্মা হ'ব নোৱাৰে। আত্মা পৰমাত্মা দুয়ো বেলেগ বেলেগ। ৰূপ দুয়োটাৰে একেই। কিন্তু আত্মা পতিত হয়, 84 জন্মৰ ভূমিকা পালন কৰিবলগীয়া হয়। পৰমাত্মা জন্ম-মৃত্যু ৰহিত। যদি আত্মাই পৰমাত্মা বুলি কয় তেন্তে সতোপ্ৰধান পৰমাত্মা জানো তমোপ্ৰধানত আহে। নাহে, এয়াতো হ'ব নোৱাৰে। পিতাই কয় যে মই আহোঁ, সকলো আত্মাৰ সেৱা কৰিবলৈ। মোৰ জন্ম বুলিও কোৱা নহয়। মই আহোঁৱেই নৰকবাসীক স্বৰ্গবাসী কৰি তুলিবলৈ। পৰৰ দেশত আহিছোঁ, নিজৰ স্বৰ্গ স্থাপন কৰিবলৈ। পিতাহে আহি আমাক স্বৰ্গৰ লায়ক কৰি তোলে। এয়াও বুজাইছে যে বাকী আত্মাসকলৰ ভূমিকা নিজা নিজা। পৰমাত্মা জন্ম-মৃত্যু ৰহিত। আহেও নিশ্চয় সেইবাবেতো শিৱৰাত্ৰি পালন কৰে। কিন্তু তেওঁ কেতিয়া আহিল, এয়া কোনেও নাজানে। এনেকৈয়ে শিৱ জয়ন্তী পালন কৰি আহিছে। নিশ্চয় সংগমত আহিছিল, স্বৰ্গৰ স্থাপন কৰিবলৈ। পতিতসকলক পাৱন কৰি তুলিবলৈ নিশ্চয় সংগমতে আহিব নহয়। পাৱন সৃষ্টি হৈছে স্বৰ্গ। এনেকৈ কয় যে পতিত-পাৱন আহক। তেন্তে নিশ্চয় পতিত সৃষ্টিৰ বিনাশৰ সময় হ'ব, তেতিয়াহে পাৱন সৃষ্টি স্থাপন কৰিব। যুগে যুগেতো নাহে। পিতাই কয় – মই সংগমতে আহি পতিত সৃষ্টিক পাৱন কৰি তুলিব লাগে। এইখন পৰৰ দেশ। ৰাৱণৰ দেশ। কিন্তু এয়া জানো কোনো মনুষ্যই জানে যে ৰাৱণৰ ৰাজ্য চলি আছে। কেতিয়াৰ পৰা এই ৰাৱণৰাজ্য আৰম্ভ হ'ল, একোৱেই গম নাপায়। প্ৰথম মুখ্য কথা আত্মা আৰু পৰমাত্মাৰ ৰহস্য বুজাব লাগে, তাৰপাছত বুজাব লাগে যে তেওঁ কল্পৰ সংগমযুগত পাৱন কৰি তুলিবলৈ আহে। এইটো তেওঁৰেই কাম, শ্ৰীকৃষ্ণৰ নহয়। শ্ৰীকৃষ্ণইতো নিজে 84 জন্ম লৈ অৱনমিত হয়। সূৰ্যবংশী সকলো অৱনমিত হয়। বৃক্ষ আধা সতেজ, আধা পুৰণি হ'ব জানো। জৰাজীৰ্ণ অৱস্থা সকলোৰে হয়। কল্পৰ আয়ুসো মনুষ্যই গম নাপায়। শাস্ত্ৰত আয়ুস বহুত দীঘলীয়া কৰি লিখি দিছে। এয়া পিতাইহে বহি বুজায়। এই ক্ষেত্ৰত অন্য প্ৰশ্ন উঠিব নোৱাৰে। ৰচয়িতা পিতাই সঁচা কথাই কয়। আমি ইমান ব্ৰহ্মাকুমাৰ-কুমাৰী, সকলোৱে মানো। তেন্তে নিশ্চয় হয় সেইবাবেতো মানো। আগলৈ গৈ যেতিয়া নিশ্চয়তা জন্মিব তেতিয়া বুজিও পাই যাব। প্ৰথমতে মনুষ্যক এইটো বুজাব লাগে যে পৰমপিতা পৰমাত্মা নিৰাকাৰ দূৰৈৰ দেশৰ পৰা আহিছে। কিন্তু কাৰ শৰীৰত আহিল? সূক্ষ্মলোকত আহি কি কৰিব? নিশ্চয় ইয়াত আহিবলগীয়া হয়। প্ৰজাপিতা ব্ৰহ্মাৰো ইয়াত প্ৰয়োজন। ব্ৰহ্মা কোন, সেয়াও পিতাই বহি বুজায়। যাৰ শৰীৰত প্ৰৱেশ কৰে তেওঁ নিজৰ জন্মক নাজানিছিল সেয়েহে সন্তানসকলেও নাজানিছিল। সন্তানো তেতিয়া হয় যেতিয়া মই তুলি লওঁ। মই এওঁৰ (সাকাৰ) লগতে সন্তানসকলক বুজাওঁ যে কি তোমালোকে নিজৰ জন্মক পাহৰি গ'লা। এতিয়া সৃষ্টি চক্ৰ পূৰা হয়, আকৌ পুনৰাবৃত্তি হ'ব। মই পাৱন কৰি তুলিবলৈ আহিছোঁ, ৰাজযোগ শিকাবলৈ। পাৱন হোৱাৰ আন একো ৰাস্তা নাই। যদি এইটো ৰহস্য মনুষ্যই জানে তেন্তে গংগা আদিত স্নান কৰিবলৈ, মেলা আদিলৈ নগ'লহেতেঁন। এই পানীৰ নদীততো সদায় স্নান কৰি থাকে। দ্বাপৰৰ পৰা কৰি আহিছে। তেওঁলোকে ভাবে যে গংগাত ডুব মাৰিলে পাপ নাশ হ'ব। কিন্তু কাৰো পাপ নাশ নহয়। প্ৰথমেতো আত্মা আৰু পৰমাত্মাৰহে ৰহস্য বুজোৱা। আত্মাসকলেই পৰমাত্মা পিতাক আহ্বান জনায়, তেওঁ নিৰাকাৰ, আত্মাও নিৰাকাৰ। এই কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা আত্মাই আহ্বান জনায়। ভক্তিৰ পাছত ভগৱান আহিব লাগে, এয়াও ড্ৰামাত ভূমিকা আছে।

পিতাই কয় – মই নতুন সৃষ্টি স্থাপন কৰিবলৈ আহিবলগীয়া হয়। শাস্ত্ৰতো আছে যে ভগৱানৰ সংকল্প উদয় হ'ল তেন্তে নিশ্চয় ড্ৰামাৰ পৰিকল্পনা অনুসৰি সংকল্প উদয় হ'ব। আগতে এই কথাবোৰ জানো বুজি পাইছিলা। দিনে-প্ৰতিদিনে বুজি গৈ থাকা। পিতাই কয় – মই তোমালোকক নতুন নতুন গুপ্ত কথা শুনাওঁ। শুনি শুনি বুজি গৈ থাকা। আগতে এনেকৈ কোৱা নাছিলা যে শিৱবাবাই পঢ়ায়। এতিয়াতো ভালদৰে বুজি পাইছা, বুজিবলৈ আৰু বহুত আছে। নিতৌ বুজাই থাকে যে কেনেকৈ কাৰোবাক বুজাব লাগে। প্ৰথমতে এইটো নিশ্চয়তা জন্মক যে বেহদৰ পিতাই বুজায় তেন্তে তেওঁ নিশ্চয় সঁচা কথা ক'ব। এই ক্ষেত্ৰত বিবুদ্ধিত পৰাৰ কথা নাই। সন্তানসকল কোনোবা পৈণত, কোনোবা অপৈণত। অপৈণত হ'লে তেন্তে কাকো বুজাব নোৱাৰে। এয়াতো স্কুলতো ক্ৰমানুসৰি হয়। বহুতৰে এইটো সংশয় জন্মে যে আমি কেনেকৈ বুজিম যে পৰমপিতা পৰমাত্মা আহি পঢ়ায় কিয়নো তেওঁলোকৰ বুদ্ধিত আছে শ্ৰীকৃষ্ণই জ্ঞান শুনালে। এতিয়া পতিত সৃষ্টিততো শ্ৰীকৃষ্ণ আহিব নোৱাৰে। এইটো তেওঁলোকক সিদ্ধ কৰা যে পৰমাত্মাহে পতিত সৃষ্টি আৰু পতিত শৰীৰত আহিবলগীয়া হয়। পিতাই এইটোও বুজে যে প্ৰত্যেকৰে বুদ্ধি নিজা নিজা। কোনোৱেতো তৎক্ষণাৎ বুজি পায়। যিমান সম্ভৱ বুজাব লাগে। সকলো ব্ৰাহ্মণ একে নিচিনা নহয়। কিন্তু সন্তানসকলৰ দেহ-অভিমান বহুত আছে। এয়া বাবায়ো জানে যে ক্ৰমানুসৰি হয়। সন্তানসকল নিৰ্দেশনা অনুসৰি চলিব লাগে। জ্যেষ্ঠ বাবাই যি কয়, সেয়া মানিব লাগে। গুৰু আদিৰতো কথা মানি আহিছা। এতিয়া পিতা যি স্বৰ্গলৈ লৈ যাওঁতা হয়, তেওঁৰ কথাতো চকু মুদি মানিব লাগে। কিন্তু তেনেকুৱা নিশ্চয়বুদ্ধিৰ নহয়। লাগিলে তাত লোকচান হওক বা লাভেই হওক, মানি ল'ব লাগে। লাগিলে লোকচানেই হৈ যাওক। তথাপিও পিতাই কয় নহয় – সদায় এনেকৈ বুজিবা যে শিৱবাবাই কয়, ব্ৰহ্মাই কয় বুলি নাভাবিবা। শিৱবাবা দায়বদ্ধ

হ’ব। তেওঁৰ এয়া ৰথ, তেওঁ ঠিক কৰি দিব। তেওঁ ক’ব যে মই বহি আছোঁ। সদায় বুজিবা যে শিৱবাবাইহে কয়, এওঁ একো নাজানে। এনেকৈয়ে ভাবা। এফালেতো নিশ্চয়তা থকা উচিত, শিৱবাবাই কয় – মোৰ কথা মানি চলা তেতিয়া তোমালোকৰ কল্যাণ হৈ থাকিব। এই ব্ৰহ্মায়ো যদি কিবা কয়, তেতিয়া তাৰ বাবেও মই দায়বদ্ধ। তোমালোক সন্তানসকলে চিন্তা নকৰিবা। শিৱবাবাক স্মৰণ কৰিলে অৱস্থা আৰুহে দৃঢ় হৈ যাব। নিশ্চয়তা থাকিলে বিকৰ্মও বিনাশ হ’ব, বলো পাবা। যিমানে পিতাক স্মৰণ কৰিবা সিমান বেছিকৈ বল পাবা। যিসকলে শ্ৰীমতত চলি সেৱা কৰে তেওঁলোকেহে উচ্চ পদ পাব। বহুতৰে দেহ-অভিমান বহুত থাকে। বাবাক চোৱা সকলো সন্তানকে কেনেকৈ মৰমেৰে চলায়। সকলোৰে লগত কথা পাতি থাকে। সন্তানসকলক সোধে যে ঠিককৈ বহিছানে! কোনো কষ্টতো পোৱা নাই! সন্তানসকলৰ প্ৰতি স্নেহ থাকে। বেহদৰ পিতাৰ সন্তানসকলৰ প্ৰতি বহুত স্নেহ আছে। যিয়ে যিমান শ্ৰীমতত সেৱা কৰে সেই অনুসৰি স্নেহ থাকে। সেৱাতেই লাভ। সেৱাত সৰ্বস্ব উজাৰি দিব লাগে। কোনো কাম কৰি থাকিলে তেতিয়া তেওঁ আকৌ অন্তৰতো থাকে যে এই সন্তানটি অতি উত্তম। কিন্তু আগবাঢ়ি গৈ থাকোঁতে কাৰোবাৰ ওপৰত গ্ৰহচাৰীও বহি যায়। মায়াৰ বিৰুদ্ধাচৰণ হয় নহয়। গ্ৰহচাৰীৰ বাবে আকৌ জ্ঞান ল’ব নোৱাৰে। কোনোৱেতো আকৌ স্থূল সেৱা অথক হৈ কৰে।

তোমালোকৰ কাম হ’ল সকলোকে সুখধামৰ মালিক কৰি তোলা। কাকো দুখ দিব নালাগে। জ্ঞান নাথাকিলে তেতিয়া আকৌ বহুত দুখ দিয়ে। তেতিয়া যিমানেই নুবুজোৱা তথাপি বুজি নাপায়। প্ৰথমতে আত্মা আৰু পৰমাত্মাৰ বুজনি দিব লাগে। কেনেকৈ আত্মাত 84 জন্মৰ ভূমিকা ভৰি আছে, যি ভূমিকা অবিনাশী। কেতিয়াও সলনি নহয়, ড্ৰামাত নিৰ্ধাৰিত হৈ আছে। এইটো নিশ্চয়তা থকাসকল কেতিয়াও অস্থিৰ নহয়। বহুত অস্থিৰ হৈ যায়। অন্তিমত যেতিয়া খেৰৰ পুজি স্বৰূপ (অন্তঃসাৰশূন্য) সৃষ্টিখনত জুই লাগিব তেতিয়া অবিচলিত হৈ যাব। এতিয়াতো বহুত যুক্তিৰে বুজাব লাগে। ভাল ভাল সন্তানসকলতো সেৱাত ব্ৰতী হৈ থাকে। অন্তৰত অধিষ্ঠিত হৈ থাকে। বহুত তীব্ৰতাৰে আগবাঢ়ি যায়। বহুত যত্ন কৰে। তেওঁলোকৰ সেৱাৰ বহুত চখ থাকে। যাৰ যি গুণ আছে সেয়া বাবাই বৰ্ণনা কৰে। ভাল বাৰু।

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) সেৱাত অস্থি পৰ্যন্ত অৰ্থাৎ সৰ্বস্ব উজাৰি দিব লাগে, কোনো কথাত সংশয় আনিব নালাগে। সেৱাৰ দ্বাৰা সকলোকে সুখ দিব লাগে, দুখ নহয়।

(2) নিশ্চয়তাৰ বলেৰে নিজৰ অৱস্থা অটল কৰি তুলিব লাগে। যি শ্ৰীমত পোৱা যায়, তাত কল্যাণ সমাহিত হৈ আছে, কিয়নো তাৰ বাবে পিতা দায়বদ্ধ সেইবাবে চিন্তা কৰিব নালাগে।

বৰদান: যোগযুক্ত স্থিতিৰ দ্বাৰা সূক্ষ্ম তথা কাঢ়া বন্ধন অতিক্ৰম কৰোঁতা বন্ধনমুক্ত হোৱা

যোগযুক্তৰ চিন হৈছে – বন্ধনমুক্ত। যোগযুক্ত হোৱাত সকলোতকৈ ডাঙৰ অন্তিম বন্ধন হৈছে – নিজক বুদ্ধিমান বুলি বুজি শ্ৰীমতক নিজৰ বুদ্ধিৰ চমৎকাৰ বুলি ভবা অৰ্থাৎ শ্ৰীমতত নিজৰ বুদ্ধি মিহলি কৰা, যাক বুদ্ধিৰ অভিমান বুলি কোৱা হয়। দ্বিতীয়তে যেতিয়া কেতিয়াবা কোনোবাই দুৰ্বলতাৰ বিষয়ে ইংগিত দিয়ে বা কিবা বেয়া কৰে সেই সময়ত যদি অলপো ব্যৰ্থ সংকল্প চলে তেন্তে তেতিয়াও বন্ধন আছে। যেতিয়া এই বন্ধনসমূহ অতিক্ৰম কৰি জয়-পৰাজয়, নিন্দা-স্তুতিত সমান স্থিতি হ’ব তেতিয়া সম্পূৰ্ণ বন্ধনমুক্ত বুলি কোৱা হ’ব।

শ্লোগান: প্ৰথমে ভবা তাৰ পাছত কৰা – এয়াই জ্ঞান স্বৰূপ আত্মাৰ গুণ।

!! ওঁম্ শান্তি !!

ওঁম্ শান্তি!!

অব্যক্ত ইংগিত: মহান হ’বলৈ মধুৰতা আৰু নম্ৰতাৰ গুণ ধাৰণ কৰা

যেনেকৈ অবুজ শিশুৱে লোকচান কাৰক বস্তু খেলাৰ সামগ্ৰী বুলি ভাবে তেতিয়া তাক কিবা দি তাৰ পৰা এৰুৱাবলগীয়া

হয় তেনেকৈ অল্পকালৰ মান-সম্ভ্ৰম বা অল্পকালৰ ইচ্ছা ৰাখিলে তেওঁক মান দি স্বয়ং নম্ৰচিত্ত হৈ যোৱা। সেই সময়ত যদি তেওঁক শিক্ষা দিয়া তেন্তে সংঘাতৰ সৃষ্টি হ'ব সেয়েহে তেনেকুৱা সময়ত যুক্তিযুক্ত চলনেৰে, পৰোপকাৰী হৈ ক্ষমা ভাৱেৰে সন্মান দি প্ৰথমে তেওঁক বিচাৰ বুদ্ধি সম্পন্ন কৰি তোলা যাৰ দ্বাৰা তেওঁ যাতে নিজে উপলব্ধি কৰে যে এইটো লোকচান কাৰক কথা।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]